# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-09-2024 **Time :** 1845 Hrs

## *Assamese Eevning Bulletin*
***HEADLINES***

- - - - - - - - - - - - - - - -

১। দেশজুৰি শিক্ষক দিৱস উদযাপন। অসমৰ দীপেন খনিকৰসহ দেশৰ ৮২ গৰাকী শিক্ষকলৈ ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটা।

২। দেশৰ ভৱিষ্যত গঢ় দিয়াত শিক্ষকসকলৰ ভূমিকা অনবদ্য বুলি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আয়োজিত শিক্ষক দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৩। ঠগ, প্ৰৱঞ্চনাৰ বলি নহ'বলৈ ৰাজ্যবাসীক ৰিজাৰ্ভ বেংকৰ দ্বাৰা অনুমোদিত প্ৰতিষ্ঠানতহে ধন জমা থ'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

৪। শস্য অনিষ্টকাৰী চৰহা আৰু শুৰ পোকৰ উপদ্ৰৱ ৰোধ কৰিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে কৃষি বিভাগলৈ মন্ত্ৰী অতুল বৰাৰ নিৰ্দেশ।

**আৰু**

৫। পেৰিছ পেৰালিম্পিকৰ অষ্টম দিনা শুটিং, আৰ্চাৰী, এথলেটিকছকে ধৰি বিভিন্ন শিতানত ভাৰতীয় খেলুৱৈসকলৰ অংশগ্ৰহণ।

০০০০০০০০

শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি দেশজুৰি আজি শিক্ষক দিৱস উদযাপন কৰা হয়। এই দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে নতুন দিল্লীৰ বিজ্ঞান ভৱনত দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটা প্ৰদান কৰে। এই অনুষ্ঠানতে ঢেঁঙাখাতৰ চিচিয়া বকুলনি ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক দীপেন খনিকৰে ৰাষ্ট্ৰপতিৰ হাতৰ পৰা কৃতি শিক্ষকৰ বঁটা গ্ৰহণ কৰে। শিক্ষক আৰু পিতৃ-মাতৃসকলে সন্তানক মহিলাৰ মৰ্যাদা ৰক্ষা কৰি আচৰণ কৰিবলৈ শিকাব লাগে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। ইয়াৰ লগতে শিক্ষাক সৰ্বাংগ সুন্দৰ কৰি তোলাৰ বাবে শিক্ষকসকলক তেওঁ ধন্যবাদ জনায়। নতুন শিক্ষা নীতিয়ে দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি শিশুৰ বিকাশত ভূমিকা গ্ৰহণ কৰিব বুলি তেওঁ কয়।

দেশৰ আন বিভিন্ন অংশৰ লগতে অসমতো আজি শিক্ষক দিৱস পালন কৰা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে গুৱাহাটী মহানগৰীৰ শিক্ষানুষ্ঠানসমূহত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰাজ্যৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত আজি

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ৬৩ সংখ্যক শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠান উদযাপন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ ৰাষ্ট্ৰৰ ভৱিষ্যত গঢ়াত শিক্ষকৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত এইদৰে কয় -

**- ভইচ কাষ্ট -**

এই অনুষ্ঠানত চলিত বৰ্ষৰ কৃতি শিক্ষকৰ বঁটা লাভ কৰা ১৩গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ৰাজ্যিক বঁটা প্ৰদান কৰা হৈছে। মাধ্যমিক শাখাত ৮ গৰাকী শিক্ষকলৈ এই বঁটা আগবঢ়োৱা হৈছে। তেওঁলোক হৈছে ডিব্ৰুগড়ৰ বিউতি লেখাৰু শইকীয়া, যোৰহাটৰ মণি দত্ত আৰু প্ৰশান্ত কুমাৰ মহন্ত, লখিমপুৰৰ কল্পনা গগৈ, তিনিচুকীয়াৰ মিনু ৰাণী বৰা, বিশ্বনাথৰ ৰিপুঞ্জয় বৰদলৈ, কামৰূপৰ হীৰেন কুমাৰ দাস আৰু শিৱসাগৰৰ হীৰেন কুমাৰ নেওগ। আনহাতে প্ৰাথমিক শাখাত পাঁচ গৰাকী শিক্ষক ক্ৰমে ধেমাজিৰ গকুল চুতীয়া, কাছাৰৰ অতনু চৌধুৰী, দৰঙৰ ৰিজু ৰেখা দেৱী, ডিব্ৰুগড়ৰ সংগীতা দেৱী আৰু শিৱসাগৰৰ লোহিত চেতীয়াক কৃতি শিক্ষকৰ বঁটা আগবঢ়োৱা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰীয় মূল্যাংকণ আৰু প্ৰত্যাপন পৰিষদৰ মূল্যায়নত খ++ আৰু খ+ তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বতন্ত্ৰ মৰ্যাদা লাভ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ লগতে পেটেণ্ট লাভ কৰা মহাবিদ্যালয়সমূহৰ শিক্ষকসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

আনহাতে শিক্ষানুষ্ঠানসমূহত ৰাধাকৃষ্ণণৰ প্ৰতিকৃতিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি প্ৰদানেৰে শিক্ষক দিৱসৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছতে নৃত্য-গীত, আবৃত্তি, ৰাধাকৃষ্ণণ বিষয়ক বক্তৃতা আদি কাৰ্যসূচীৰে শিক্ষক দিৱসৰ অন্ত পৰে। ভাৰতীয় দলিত সাহিত্য একাডেমী অসম ৰাজ্যিক সমিতিৰ সৌজন্যত গুৱাহাটী প্ৰেছ ক্লাবত বহুকেইগৰাকী কৃতি শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। আনহাতে গুৱাহাটী মহানগৰীৰ অগ্ৰণী অনুষ্ঠান প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অসমৰ সমাজ, সাহিত্য, সংস্কৃতি, বিজ্ঞান আৰু অন্যান্য ক্ষেত্ৰলৈ অৰিহণা যোগোৱা দুগৰাকী বৰেণ্য ব্যক্তি ক্ৰমে- কুলধৰ শইকীয়াক পণ্ডিত তীৰ্থনাথ শৰ্মা উৎকৰ্ষ বঁটা আৰু তাৰেকেশ্বৰ চৌধুৰীক নিৰ্মলা দেৱী উৎকৰ্ষ বঁটা প্ৰদান কৰা হয়।

মৰিগাঁৱৰ পবিতৰা হাটত জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ উদ্যোগত উলহ-মালহেৰে শিক্ষক দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত  জিলাখনৰ কৃতি শিক্ষসকলক তেওঁলোকৰ নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ বাবে সম্বৰ্ধনা জনোৱা হয়। বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক ড০ অমৰজ্যোতি চৌধুৰীয়ে অনুষ্ঠানত অংশ লৈ ভাষণ প্ৰসংগত জাতীয় ভৱিষ্যত গঢ় দিয়াত শিক্ষকৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে।

কৰিমগঞ্জৰ জিলা পুথিভৰালত আয়োজিত শিক্ষক দিৱসৰ কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ মিছুনৰঞ্জন দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত জিলাখনৰ ২৮ গৰাকী কৃতি শিক্ষকক সম্বৰ্ধনা জনোৱা হয়। বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ লগতে বিদ্যালয় পৰিদৰ্শক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ উদ্যোগত মাজুলীৰ শিক্ষানুষ্ঠানসমূহতো শিক্ষক দিৱস উদযাপন কৰা হয়।

দাৰ্শনিক পণ্ডিত ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণক সুঁৱৰি তামুলপুৰ জিলাৰ শিক্ষানুষ্ঠানসমূহতো এই দিৱসৰ সৈতে সংগতি ৰাখি বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হয়। বিধায়ক জলেন দৈমাৰীৰ উদ্যোগত কুমাৰীকাটাত জিলাখনৰ ১৫০

গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অৱসৰৰ পাছত শিক্ষকসকলে যাতে অকলশৰীয়া অনুভৱ নকৰে সেই লক্ষ্যৰে মত বিনিময় সভা অনুষ্ঠিত কৰা হয়।

বৰপেটাৰ জিলা পুথিভৰালত আয়োজিত শিক্ষক দিৱসৰ কাৰ্যসূচীত ১২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে শিৱসাগৰৰ শিক্ষানুষ্ঠানসমূহতো শিক্ষক দিৱস উদযাপন কৰা হয়। শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত কাৰ্যসূচীত ২২ গৰাকী শিক্ষকক সম্বৰ্ধনা জনোৱাৰ লগতে মুকলি সভা অনুষ্ঠিত হয়।

oooooooo

ঠগ, প্ৰৱঞ্চনাৰ বলি নহ'বলৈ ৰাজ্যবাসীক ৰিজাৰ্ভ বেংকৰ দ্বাৰা অনুমোদিত প্ৰতিষ্ঠানতহে ধন জমা থ'বলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। অনলাইন ট্ৰেডিং প্ৰৱঞ্চনা সন্দৰ্ভত প্ৰতিক্ৰিয়া আগবঢ়াই তেওঁ জনসাধাৰণক এই সন্দৰ্ভত সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে, আৰ বি আই অনুমোদন অবিহনে কোনো লেনদেন কৰিব নোৱাৰে। ৰিজাৰ্ভ বেংকৰ নিয়ম উলংঘা কৰা সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। প্ৰয়োজন হ'লে এই সন্দৰ্ভত বিশেষ টাস্ক ফ'ৰ্চ গঠন কৰা হ'ব বুলিও তেওঁ কয়।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ডিব্ৰুগড়ত ক্ষুদ্ৰ সচিবালয় মুকলি কৰিব। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনো উপস্থিত থাকিব। এই সচিবালয়ে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, চৰাইদেউ, মাজুলী, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৯ লাখ জনসাধাৰণৰ সৈতে প্ৰশাসনৰ সংযোগ বৃদ্ধি কৰিব আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় আঁচনি তথা প্ৰকল্প ধাৰাবাহিক পৰ্যবেক্ষণ আৰু স্থানীয় উন্নয়ন ত্বৰান্বিত কৰাত সহায় কৰিব। ইয়াৰ ফলত উজনি অসমৰ জনসাধাৰণে দিছপুৰলৈ নোযোৱাকৈ বিভিন্ন বিষয় ডিব্ৰুগড় সচিবালয়ত নিষ্পত্তি কৰিব পাৰিব।

oooooooo

ৰাজ্যৰ কৃষি বিভাগে শস্য অনিষ্টকাৰী চৰহা আৰু শুৰ পোকৰ উপদ্ৰৱ ৰোধ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। কৃষি মন্ত্ৰী অতুল বৰাই ডিব্ৰুগড় জিলা কৃষি, কৃষি অভিযান্ত্ৰিকৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ এই সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ কেইবাখনো গাঁৱৰ কৃষিভূমিত চৰহা আৰু শুৰ পোকৰ উপদ্ৰৱৰ বাবে বহুসংখ্যক কৃষকে সমস্যাৰ সন্মুখীন হৈছে। কৃষি মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে। তেওঁ কৃষকসকলৰ সৈতে যোগাযোগ অব্যাহত ৰাখি শস্য অনিষ্টকাৰী পোকৰ উপদ্ৰৱ সন্দৰ্ভত চোকা দৃষ্টি ৰাখিবলৈ বিষয়াসকলক নিৰ্দেশ দিছে। মন্ত্ৰী শ্ৰীবৰাই বৈঠকত অংশ লৈ জিলাখনত পি এম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, ডিজিটেল ক্ৰ'প ছাৰ্ভে, অইল পাম খেতি, জলসিঞ্চন ব্যৱস্থাকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ সন্দৰ্ভত বুজ লয়। লগতে জিলাখনৰ বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ প্ৰদানৰ বাবে ৰবি শস্যৰ খেতিৰ পৰিকল্পনা গ্ৰহণ কৰি সফল কাৰ্যকৰীকৰণৰ বাবে বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০০০

ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে অভিনন্দন শিক্ষা ঋণ ৰাজসাহায্য আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ কথা ঘোষণা কৰিছে। শিক্ষা ঋণৰ ক্ষেত্ৰত ৫০ হাজাৰ টকা পৰ্যন্ত ৰাজসাহায্য প্ৰদানেৰে শিক্ষাৰ্থী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ বিত্তীয় বোজা লাঘৱ কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই আঁচনিখনৰ প'ৰ্টেলতো আজিৰ পৰা ২০ অক্টোবৰলৈ ৪৫ দিনৰ বাবে খোলা থাকিব। উল্লেখযোগ্য যে অসমৰ লগতে আন ঠাইতো উচ্চ শিক্ষা গ্ৰহণ কৰি থকা শিক্ষাৰ্থীৰ লগতে বৰ্তমানৰ সাংসদ, বিধায়ক, পঞ্চায়তৰ কৰ্মকৰ্তা আৰু চৰকাৰী বা চৰকাৰী ৰাজহুৱা খণ্ডৰ স্থায়ী কৰ্মচাৰীসকলৰ সন্তানেও এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব। আঁচনিখনৰ সুবিধা গ্ৰহণ কৰা শিক্ষাৰ্থীগৰাকী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে মাত্ৰ এবাৰৰ বাবেহে এই সুবিধা লাভ কৰিব। উল্লেখযোগ্য যে যোগ্য বিবেচিত হোৱা শিক্ষাৰ্থীসকলে আৱাসিক প্ৰমাণ-পত্ৰ, পৰিচয় পত্ৰ, ঠিকনাৰ প্ৰমাণ-পত্ৰ, বেংক ঋণৰ নথিপত্ৰৰ লগতে অভিভাৱকৰ পৰিচয়ৰ প্ৰমাণ-পত্ৰ দি dids.assam.gov.in-ৰ জৰিয়তে অথবা ১৮০০-২০২৬-২৫৬ নম্বৰ যোগাযোগ কৰি অভিনন্দন আঁচনিত আবেদন কৰিব পাৰিব।

০০০০০০০০

অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় ডিব্ৰুগড়ত অহা ৭ ছেপ্তেম্বৰ তাৰিখে চৰাইদেউ জিলাৰ শিশুসকলৰ হৃদ আৰু ৰক্তজনিত জটিল ৰোগ চিনাক্তকৰণৰ বাবে স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। বেংগালুৰু, কলকাতাৰ নাৰায়ণা হৃদয়ালয় চিকিৎসালয়ৰ পৰা অহা বিশেষজ্ঞৰ দলে জন্মৰ পৰা ১৮ মহীয়া শিশুলৈকে জন্মগত হৃদৰোগ, লিউকেমিয়া, থেলাছেমিয়াকে আদি কৰি জটিল ৰক্তজনিত ৰোগত আক্ৰান্ত হৈ অস্থি মজ্জা সংৰোপণৰ প্ৰয়োজন হোৱা শিশুৰ ৰোগ চিনাক্তকৰণ কৰি ১০০ শতাংশ অনুদানমূলক চিকিৎসা সেৱা প্ৰদান কৰিব। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ স্নেহ স্পৰ্শ আঁচনিৰ যোগেদি এই জটিল ৰোগৰ চিকিৎসাৰ বাবে চৰাইদেউ জিলাৰ শিশুসকলৰ অভিভাৱকসকলে ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যক্ৰমৰ সাপেখাটি আৰু পাটসাঁকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, কৰ্মীৰ সৈতে যোগাযোগ কৰি শিশুটিৰ নাম পঞ্জীয়ন কৰিব পাৰিব। আনহাতে চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা যোগান ধৰা বাহনত বিনামূলীয়াকৈ শিশুৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে অভিভাৱকসকলে নিজাববীয়াকৈও স্বাস্থ্য পৰীক্ষা কৰাব পাৰিব বুলিও কৰ্তৃপক্ষই জানিবলৈ দিয়ে। এইক্ষেত্ৰত অধিক জানিবলৈ সোণাৰিস্থিত চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰ্যালয়ৰ সৈতেও যোগাযোগ কৰিব পাৰিব।

০০০০০০০০

ট্ৰেডিঙৰ নামত প্ৰৱঞ্চনা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত স্বপ্ননীল দাসক মহানগৰ আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। গ্ৰেপ্তাৰৰ পাছতে মহানগৰ আৰক্ষীয়ে অভিযুক্তক ট্ৰেডিঙৰ সন্দৰ্ভত বহু সময় ধৰি সোধা-পোছা কৰি বহুখিনি তথ্য লাভ কৰে। আনহাতে ট্ৰেডিঙৰ নামত প্ৰৱঞ্চনাৰ অভিযোগত ডিব্ৰুগড়ত বিশাল ফুকন নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰাৰ অন্যান্য অভিযুক্তৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

০০০০০০০০

অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সহযোগত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানে জালুকবাৰীৰ মহিলা আৰু শিশু ৰাজ্যিক গৃহত পোছাকৰ ওপৰত অনুষ্ঠিত কৰা বিশেষ দক্ষতা কাৰ্যসূচীৰ আজি সামৰণি পৰে। এই উপলক্ষে শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ ড০ শ্যামল প্ৰসাদ শইকীয়াৰ সভাপতিত্বত আয়োজিত সভাত পোছাকৰ ওপৰত

দক্ষতা বিকাশ কাৰ্যসূচী সফলতাৰে সম্পূৰ্ণ কৰাসকলক প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। কাৰ্যসূচীত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ ললিত শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। উল্লেখযোগ্য যে আয়োগে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ সহযোগত যোৱা ২৭ ফেব্ৰুৱাৰীত জালুকবাৰী মহিলা আৰু শিশু ৰাজ্যিক গৃহত এই দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিছিল।

00000000

মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত গড়মূৰত অনাগত ৰাষ্ট্ৰীয় লোক আদালতৰ প্ৰাক প্ৰস্তুতিমূলক এখন সভা অনুষ্ঠিত হয়। সভাত লোক আদালতৰ জৰিয়তে নিষ্পত্তি হোৱা নোহোৱা গোচৰসমূহৰ ক্ষেত্ৰত বাদী-বিবাদীসকলে সন্মুখীন হোৱা অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰা হয়। উল্লেখযোগ্য যে অহা ১৪ ছেপ্তেম্বৰত জিলাখনত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব।

00000000

আই আই টি গুৱাহাটী চৌহদত কাইলৈ আই আই টি গুৱাহাটী আৰু এয়াৰ বাছ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ মাজত চুক্তি স্বাক্ষৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আই আই টি গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জেলিহালৰ উপস্থিতিত বিয়লি চাৰে ৩ বজাৰ পৰা চুক্তি স্বাক্ষৰ অনুষ্ঠানটি অনুষ্ঠিত হ'ব।

00000000

পেৰিছ পেৰালিম্পিকৰ আজি অষ্টম দিনা ভাৰতৰ পেৰা এথলিটসকলে শ্বুটিং, আৰ্চাৰী, এথলেটিক্‌ছ, পাৱাল লিফটিং আৰু জুড'ৰ বিভিন্ন শিতানসমূহত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পুৰুষৰ পেৰা জুড'ৰ ৬০ কেজি জে-ৱান শাখাত ভাৰতৰ কপিল পৰমাৰ ইৰানৰ খোৰাম বনীতাবাৰ হাতত পৰাস্ত হয়। কপিলে আজি নিশা প্ৰায় ৮ বজাত ব্ৰঞ্জৰ পদকৰ বাবে হ'বলগীয়া খেলখনত ব্ৰাজিলৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে পেৰা দৌৰবিদ ছিমৰনে নিশা প্ৰায় ১০ বাজি ৪৭ মিনিটত মহিলাৰ ১০০ মিটাৰৰ টি-টুৱেল্‌ভ শিতানৰ ফাইনেলত দেশৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

00000000

সমাপ্ত